অসম

ৰঙিয়া পৌৰসভাৰ ১০ নম্বৰ ৱার্ড বিটিআৰত অন্তর্ভুক্তিৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

ৰঙিয়া পৌৰসভাৰ ১০ নম্বৰ ৱার্ডক বিটিআৰত অন্তর্ভুক্ত কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে সমজিলা আয়ুক্তৰ কার্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজে।

প্ৰকাশ: ২৩ নৱেম্বৰ ২০২৬, আবেলি ৬:১৬



Rangia Ward 10 in BTR

ৰঙিয়া, ২৩ নৱেম্বৰ: ৰঙিয়া পৌৰসভাৰ ১০ নম্বৰ ৱার্ডক বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিঅ'ন চমুকৈ বিটিআৰত

অন্তর্ভুক্ত কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিছে স্থানীয় ৰাইজ। সোমবাৰে অঞ্চলটোৰ শতাধিক পুৰুষ-মহিলাই হাতে হাতে বেনাৰ আৰু প্লেকার্ড লৈ এক প্রতিবাদী সমদল উলিয়ায়। শতাধিক ক্ষুব্ধ পুৰুষ-মহিলাই হাতে হাতে বেনাৰ আৰু প্লেকার্ড লৈ এক বিশাল প্রতিবাদী সমদল উলিয়ায়।

ইছগেট চ'কৰ পৰা আৰম্ভ হোৱা এই প্রতিবাদী সমদলটো ৰঙিয়া সমজিলা আয়ুক্তৰ কার্যালয়লৈ যায়। প্রতিবাদকাৰীসকলে সমজিলা আয়ুক্তৰ কার্যালয় ঘেৰাও কৰি তীব্র প্রতিবাদ সাব্যস্ত কৰে।

প্রতিবাদকাৰী ৰাইজৰ অভিযোগ অনুসৰি, চিৰাখুন্দী ৰাজহ গাঁৱৰ ১০ নম্বৰ ৱার্ড আৰু ৫ নম্বৰ ৱার্ডৰ একাংশক ৰঙিয়া ৰাজহ চক্রৰ পৰা আঁতৰাই গোৱেশ্বৰ ৰাজহ চক্রৰ অন্তর্ভুক্ত কৰাৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰ উপৰি ৰঙিয়া পৌৰসভাৰ পৰিসৰ সংশোধনৰ জৰিয়তে ১০ নম্বৰ ৱার্ডটো বিলুপ্ত কৰাৰ সিদ্ধান্ত লোৱা বুলিও তেওঁলোকে ক্ষোভ প্রকাশ কৰে।

প্রতিবাদকাৰীসকলে এই সিদ্ধান্ত কোনো কাৰণতে মানি লোৱা নহ'ব বুলি স্পষ্ট কৰি দিয়ে। □ যিকোনো পৰিস্থিতিতে ১০ নং ৱার্ডক বিটিআৰত অন্তর্ভুক্ত কৰাৰ সিদ্ধান্ত মানি লোৱা নহ'ব বুলি স্থানীয় ৰাইজে স্পষ্ট হুংকাৰ প্রদান কৰিছে।

যিকোনো পৰিস্থিতিতে ১০ নম্বৰ ৱার্ডক বিটিআৰত অন্তর্ভুক্ত নকৰিবলৈ প্রশাসনৰ ওচৰত দাবী জনায় স্থানীয় ৰাইজে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/5651/rangia-ward-btr-inclusion-protest